# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-01-2025
**Time :** 1800 Hrs

# *Assamese Evening Bulletin*

---

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি দক্ষিণ কোৰিয়াৰ ৰাজধানী ছিউলত ইণ্ডিয়ান চেম্বাৰ অব কৰ্মাচে আয়োজন কৰা এডভাণ্টেজ আছামৰ ৰোড শ্ব'ত অংশগ্ৰহণ কৰি ১৪০ গৰাকীৰো অধিক উদ্যোগপতিৰ সৈতে মত বিনিময় কৰে। অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ বিদেশী বিনিয়োগকাৰীক আকৰ্ষণ কৰাৰ উদ্দেশ্যৰে  দক্ষিণ কোৰিয়া আৰু জাপান ভ্ৰমণলৈ যোৱা মুখ্যমন্ত্ৰীয়ে কোৰিয়াৰ কোম্পানীসমূহক অসমত বিনিয়োগ কৰিবলৈ আহ্বান জনায়। প্ৰকৃতিৰ  অনবদ্য অৱদানেৰে ভৰপূৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলত পৰ্যটনকে ধৰি বিভিন্ন ক্ষেত্ৰত বিনিয়োগৰ ব্যাপক সম্ভাৱনাৰ কথা মুখ্যমন্ত্ৰীয়ে সদৰি কৰে।

ড০ শৰ্মাই লগতে কোৰিয়া বাণিজ্য-বিনিয়োগ প্ৰসাৰ সংস্থাৰ অধ্যক্ষ কিয়ুং চুং কা আৰু সংস্থাটোৰ অন্যান্য প্ৰতিনিধিসকলৰ সৈতেও আলোচনাত মিলিত হয়। বৈঠকত অসম আৰু কোৰিয়াৰ ব্যৱসায় কেন্দ্ৰিক পাৰস্পৰিক লাভালাভক প্ৰধান্য দি ব্যৱসায়, বাণিজ্য, উদ্যোগ আৰু দক্ষতাৰ ক্ষেত্ৰত বিকাশ আৰু উন্নয়নৰ হকে অংশীদাৰিত্ব সন্দৰ্ভত আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীয়ে প্ৰতিনিধিসকলক অসমৰ সমৃদ্ধ পৰ্যটন সম্ভাৱনাৰ কথা অৱগত কৰোৱাৰ লগতে ৰাজ্যত ছেমিকণ্ডাক্টৰ পৰিৱেশতন্ত্ৰ গঢ়ি তোলাৰ পৰিকল্পনাৰ কথাও উল্লেখ কৰে।

দক্ষিণ কোৰিয়া ভ্ৰমণ সামৰি মুখ্যমন্ত্ৰীয়ে টকিঅ'ত উদ্যোগপতি তথা ব্যৱসায়িক নেতৃত্বৰ সৈতেও আলোচনাত মিলিত হ'ব। জাপান আৰু দক্ষিণ কোৰিয়া ভ্ৰমণৰ অন্তত অহা ১০ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰীগৰাকী ছিংগাপুৰলৈ ৰাওনা হ'ব।

০০০০০

ৰাজ্যৰ ১৪ খন জিলাক সামৰি আজিৰে পৰা দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱৰ বহিঃমূল্যায়ন আৰম্ভ হৈছে। দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱত সামৰি লোৱা ১৪ খন জিলা হৈছে- বাক্সা, চৰাইদেউ, চিৰাং, ধেমাজি, ধুবুৰী, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, কামৰূপ মহানগৰ, শোণিতপুৰ, তামুলপুৰ, তিনিচুকীয়া আৰু পশ্চিম কাৰ্বি আংলং। শিক্ষা বিভাগৰ তথ্য অনুসৰি আজিৰে পৰা ২২ জানুৱাৰীলৈ ১৪ খন জিলাৰ ১৫ হাজাৰ ৬৬৩ খন বিদ্যালয়ৰ ১৪ লাখ ১৪ হাজাৰ ৯৩২ গৰাকী ছাত্ৰ-ছাত্ৰীক সামৰি বহিঃমূল্যায়ন অনুষ্ঠিত হৈছে। ইয়াৰ বাবে ইতিমধ্যে ৬ হাজাৰ ৫৩ গৰাকী বহিঃ নিৰীক্ষকক দায়িত্ব প্ৰদান কৰা হৈছে।

চৰাইদেউ জিলাৰ পি এম শ্ৰী মাহমৰা উচ্চ মাধ্যমিক বিদ্যালয়ত আজি পৰিবহণ মন্ত্ৰী যোগেন মহনে গুণোৎসৱৰ কাৰ্যসূচীত অংশ লয়।

শোণিতপুৰ জিলাত আজিৰে পৰা জিলাখনৰ বিভিন্ন বিদ্যালয়ত দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ আৰম্ভ হৈছে। এই উপলক্ষে জিলা আয়ুক্ত অংকুৰ ভৰালীয়ে জিলা সদৰত থকা বিদ্যালয়সমূহ পৰিদৰ্শন কৰে।

০০০০০

ৰাজ্যত পহিলা জানুৱাৰীত আৰম্ভ হোৱা ৰাষ্ট্ৰীয় পথ সুৰক্ষা মাহৰ সৈতে সংগতি ৰাখি আজি শিৱসাগৰ জিলাৰ পৰিবহন নিগমৰ বাছ আস্থানত এখন সজাগতা সভা অনুষ্ঠিত হয়। পথ সজাগতাৰ উদ্দেশ্যে সভাত এখন বাটৰ নাটো প্ৰদৰ্শন কৰা হয়। শিৱসাগৰ জিলা পৰিবহন বিষয়া কাৰ্যালয় আৰু উজনি অসম বাছ মালিক সন্থাৰ উদ্যোগত আয়োজিত এই পথ সজাগতা সভাত পৰিবহন মন্ত্ৰী যোগেন মহন মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে যান-বাহন চলাওতে যাৱতীয় নিয়ম মানি চলাৰ লগতে সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনায়। ৰাজ্য চৰকাৰে পথ সুৰক্ষা নিশ্চিত কৰণৰ ক্ষেত্ৰত বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে এইবেলি নৱবৰ্ষ উদযাপনৰ লগতে মাঘ বিহুৰ সময়ত পথ দুৰ্ঘটনা ৰোধ কৰাৰ ক্ষেত্ৰত চৰকাৰ বিশেষভাৱে সফল হৈছে। পথ দুৰ্ঘটনাত কোনো লোক আহত হ'লে চৰকাৰে চিকিৎসাৰ বাবে খৰচ বহন কৰে বুলিও শ্ৰী মহনে এই সভাতে সদৰী কৰে।

০০০০০

দিল্লীৰ গণৰাজ্য দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণৰ বাবে শিৱসাগৰ জিলাৰ নাজিৰাৰ ৰজাবাৰী গাঁৱৰ জলজীৱন আঁচনিৰ সচিব দীপাংকৰ দিহিঙীয়াই আমন্ত্ৰণ লাভ কৰিছে। দীপাংকৰ দিহিঙীয়াৰ প্ৰচেষ্টাত ৰজাবাৰী অঞ্চলৰ ১৪৫টা পৰিয়ালে নলযোগে বিশুদ্ধ খোৱাপানী নিজৰ ঘৰৰ পদূলিতে লাভ কৰিবলৈ সমৰ্থ হৈছে। এই আঁচনিৰ অধীনৰ হিতাধিকাৰীসকলে পানীৰ বাবদ প্ৰতিমাহে ডিজিটেল মাধ্যমেৰে আদায় দিয়া ১০০ টকাৰ জৰিয়তে হিতাধিকাৰী সমিতিয়ে বেংকত ১ লাখ ৬০ হাজাৰ টকা জমা কৰিবলৈ সমৰ্থ হৈছে। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰে প্ৰতিটো পৰিয়াললৈ নলযোগে বিশুদ্ধ খোৱাপানীৰ যোগান সুনিশ্চিত কৰাৰ উদ্দেশ্যে ২০১৯ বৰ্ষত জলজীৱন মিছন আৰম্ভ কৰিছিল। শিৱসাগৰত এই আঁচনিৰ অধীনত ১ লাখ ৭৮ হাজাৰ ৩৭০টা পৰিয়ালক সামৰি লোৱাৰ লক্ষ্য লোৱা হৈছিল আৰু বৰ্তমানলৈকে ১ লাখ ৬২ হাজাৰ ৯৪টা পৰিয়ালক এই আঁচনিৰ সুবিধা প্ৰদান কৰা হৈছে। জিলাখনৰ মৰা বজাৰৰ হাতীমূৰীয়া ঘৰফলীয়া বিশুদ্ধ খোৱাপানী আঁচনিৰ সভাপতি নবীন কিশোৰ গগৈয়েও দিল্লীৰ গণৰাজ্য দিৱসৰ বাবে আমন্ত্ৰণ লাভ কৰিছে।

০০০০০

তেজপুৰ বিশ্ববিদ্যালয়ৰ ১৯৯৫ শিক্ষা বৰ্ষ আৰু ২০০৫ শিক্ষা বৰ্ষৰ ভিতৰত শিক্ষা গ্ৰহণ কৰা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ পুনৰ মিলন সমাৰোহ আজি বিশ্ববিদ্যালয়খনৰ সভাকক্ষত অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য শম্ভুনাথ সিঙে এই সমাৰোহ উদ্বোধন কৰি প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ক্ষেত্ৰত বিশ্ববিদ্যালয়খনৰ নাম উজলাই তোলাৰ বাবে সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয়, যে তেজপুৰ আইন মহাবিদ্যালয়ৰ অস্থায়ী শ্ৰেণীকক্ষৰ পৰা আৰম্ভ হোৱা তেজপুৰ বিশ্ববিদ্যালয় বৰ্তমান দেশৰ উচ্চ শিক্ষাৰ অন্যতম অগ্ৰণী প্ৰতিষ্ঠানত পৰিণত হৈছে। তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলনিৰ সভাপতি দেৱজিত বড়োৱে সমাৰোহৰ উদ্বোধনী ভাষণ দিয়ে। অধ্যাপক দেৱৰ্ষী প্ৰসাদ নাথে তেজপুৰ বিশ্ববিদ্যালয় ইয়াৰ শৈক্ষিক কাৰ্যসূচীত দেশৰ বহু অগ্ৰণী বিশ্ববিদ্যালয়তকৈও আগবঢ়া বুলি মন্তব্য কৰে।

০০০০০

সমাপ্ত